# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 09-05-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*

## Headlines

-------------------

১। পশ্চিম সীমান্তত পাকিস্তানে যোৱা মাজনিশাৰে পৰা চলোৱা ৩৬টা আক্ৰমণ ভাৰতীয় বাহিনীৰ দ্বাৰা প্ৰতিহত। ভূপতিত পাকিস্তানী ড্ৰোন তুৰস্কত নিৰ্মিত বুলি প্ৰাথমিক অনুসন্ধানত প্ৰকাশ।

২। দেশৰ পশ্চিম অংশৰ নিৰাপত্তা পৰিস্থিতি আৰু সেনাবাহিনীৰ প্ৰস্তুতি সম্পৰ্কত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ পৰ্যালোচনা।

৩। সংবাদ মাধ্যম, ডিজিটেল প্লেটফৰ্ম আৰু ব্যক্তি বিশেষক প্ৰতিৰক্ষা অভিযান আৰু নিৰাপত্তা বাহিনীৰ গতি-বিধিৰ প্ৰত্যক্ষ আৰু পোনপটীয়া প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ আহ্বান।

৪। সাম্প্ৰতিক পৰিস্থিতিত জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ সকলোধৰণৰ সাংস্কৃতিক কাৰ্যসূচী কাইলৈৰ পৰা বাতিলৰ নিৰ্দেশ। **আৰু**

৫। চলিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ বাকী থকা খেলসমূহ এসপ্তাহৰ বাবে বাতিলৰ ঘোষণা।

০০০০০

পাকিস্তানে আজি পুৱতি নিশাৰে পৰা দেশৰ পশ্চিম অংশৰ জম্মু আৰু কাশ্মীৰৰ লে'হৰ পৰা গুজৰাটৰ চাৰ ক্ৰিকলৈকে সম্পূৰ্ণ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ৩৬ খন স্থানত গুৰু কামান আৰু অস্ত্ৰ-শস্ত্ৰৰে আক্ৰমণ চলায়। ইয়াৰ উপৰিও পাকিস্তানে কেইবাটাও অঞ্চলত ড্ৰোনেৰে ভাৰতীয় সীমাৰ ভিতৰত সোমাই সশস্ত্ৰ বাহিনীৰ ঘাটি আৰু গুৰুদ্বাৰাকে ধৰি সৰ্বসাধাৰণৰ ৰাইজৰ বাসগৃহ আৰু সম্পত্তিৰ ওপৰত আক্ৰমণ চলোৱাৰ চেষ্টা কৰে। ভাৰতীয় আকাশমাৰ্গ প্ৰতিৰক্ষা প্ৰণালী আৰু আন সামৰিক উপায়েৰে পাকিস্তানৰ আক্ৰমণৰ যোগ্য প্ৰত্যুত্তৰ দিয়া হয়। আজি বিয়লি নতুন দিল্লীত বৈদেশিক সচিব বিক্ৰম মিশ্ৰি আৰু প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মুখপাত্ৰ কৰ্ণেল ছোফিয়া কুৰেশ্বি আৰু উইং কমাণ্ডাৰ ব্যোমিকা সিঙে সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। সামৰিক বিষয়া দুগৰাকীয়ে কয়, যে পাকিস্তানে এই আক্ৰমণত ব্যৱহাৰ কৰা কেইবাখনো ড্ৰোন ভাৰতে ভূপতিত কৰে। প্ৰাথমিক অনুসন্ধানৰ দ্বাৰা এই ড্ৰোনকেইখন তুৰস্কত তৈয়াৰ কৰা ড্ৰোন বুলি থাৱৰ কৰা হৈছে। ইয়াৰ উপৰিও পাকিস্তানে যোৱা নিশা পাঞ্জাবৰ ভাটিন্দাত থকা সেনা বাহিনীৰ এটা ঘাটিকো আক্ৰমণ কৰাৰ চেষ্টা চলায়। এই মানৱ বিহীন যানখনো ভূপতিত কৰা হয়। পাকিস্তানৰ এই দায়িত্ব জ্ঞানহীন আক্ৰমণক কেইবাজনো ভাৰতীয় সৈন্য আৰু অসামৰিক লোক হতাহত হৈছে। কৰ্ণেল কুৰেশ্বিয়ে কয় যে পাকিস্তানে যোৱা নিশা প্ৰায় ৩শৰ পৰা ৪শ খন ড্ৰোন ব্যৱহাৰ কৰিছিল আৰু ভাৰতীয় বাহিনীসমূহে এইসমূহক গতিশীল আৰু ভূমিভাগৰ পৰা নিক্ষেপ কৰা অস্ত্ৰপ্ৰণালীৰে প্ৰতিহত আৰু ধবংস কৰে। ভাৰতৰ বায়ু প্ৰতিৰক্ষা প্ৰণালীৰ কাৰ্যকৰীতা

পৰীক্ষা কৰা আৰু চোৰাংচোৱা তথ্য আহৰণ কৰাৰ বাবেই এই আক্ৰমণ চলোৱা হৈছিল বুলি কৰ্ণেল কুৰেশ্বিয়ে প্ৰকাশ কৰে।

**ৰাইট**

উইং কমাণ্ডাৰ ব্যোমিকা সিঙে কয়, যে এই আক্ৰমণ প্ৰত্যাক্ৰমণৰ পৰিস্থিতি সত্তেও পাকিস্তানে ইয়াৰ যাত্ৰীবাহী বিমানৰ সেৱা বন্ধ কৰা নাই। কালি লাহোৰ আৰু কৰাচিৰ মাজত চলাচল কৰা এখন এয়াৰবাছ 320 বিমান পাকিস্তানৰ আকাশমাৰ্গত সন্ধিয়া ৭ বজাৰ পৰা নিশা চাৰে ন বজাৰ ভিতৰত দেখা পাই ভাৰতে সংযমৰ পৰিচয় দি নিজৰ ড্ৰোন আক্ৰমণ স্থগিত ৰাখে।

**ৰাইট**

বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়ে পাকিস্তানৰ যোৱা নিশা আৰু আজিৰ কাৰ্যকলাপসমূহক অতিশয় উচতনিমূলক বুলি আখ্যা দিয়ে আৰু  ইয়াক দুই দেশৰ মাজৰ পৰিস্থিতিৰ অৱনতি ঘটোৱাৰ প্ৰয়াস বুলি মন্তব্য কৰে। তেওঁ কয় যে পাকিস্তানৰ এই আগ্ৰাসনৰ ভাৰতে সমানুপাতিক আৰু পৰ্যাপ্ত প্ৰত্যুত্তৰ দিয়াৰ লগতে ভাৰতে এই সময়তো এখন দায়িত্বশীল ৰাষ্ট্ৰৰ দৰে আচৰণ কৰিছে। তেওঁ লগতে কয়, যে পাকিস্তানে পুঞ্চৰ এটা গুৰুদ্বাৰাত গোলাবৰ্ষণ কৰাৰ ফলত এজন লোক নিহত আৰু শিশুকে ধৰি কেইবাজনো লোক আহত হৈছে। ইয়ে পাকিস্তানৰ দ্বিচাৰিতাৰ কথাকে প্ৰমাণ কৰিছে বুলি মিশ্ৰিয়ে উল্লেখ কৰে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত বৈদেশিক সচিবগৰাকীয়ে কয়, যে বৰ্তমানৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নানকানাচাহিব সংযোগী কাৰ্টাৰপুৰ কৰিড'ৰ সাময়িকভাৱে বন্ধ  কৰা হৈছে। আজি হ'বলগীয়া আন্তৰ্জাতিক মুদ্ৰানিধি চমুকৈ আই এম এফৰ বৈঠকত ভাৰতে পাকিস্তানৰ পূৰ্বৰ আই এম এফৰ ঋণ মকুব কৰাৰ প্ৰস্তাৱৰ বিৰোধিতা কৰিব বুলিও মিশ্ৰিয়ে প্ৰকাশ কৰে।

**ৰাইট**

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি দেশৰ পশ্চিম অংশৰ নিৰাপত্তা পৰিস্থিতি আৰু সেনাবাহিনীৰ প্ৰস্তুতি সম্পৰ্কত সশস্ত্ৰ বাহিনীৰ প্ৰধান জেনেৰেল অনিল চৌহান, স্থল সেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, বায়ুসেনাধ্যক্ষ এয়াৰ চীফ মাৰ্শ্বেল অমৰপ্ৰীত সিং আৰু নৌসেনাধ্যক্ষ এডমিৰেল দীনেশ কে ত্ৰিপাঠীৰ সৈতে এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিৰক্ষা সচিব আৰ কে সিঙো উপস্থিত আছিল। আনহাতে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি সীমান্ত নিৰাপত্তা বাহিনী বি এছ্ এফ, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী আৰু অসামৰিক বিমান পৰিবহণ সুৰক্ষা সংস্থাৰ মুৰববী কেইগৰাকীৰ সৈতে আন এখন পৰ্যালোচনা বৈঠকত মিলিত হয়।

ooooo

চৰকাৰে দেশৰ অত্যাৱশ্যকীয় সেৱা আৰু ব্যৱস্থাসমূহ সুচাৰুৰূপে চলি থকাটো নিশ্চিত কৰাৰ বাবে কোনো ত্ৰুটি এৰা নাই। ৰাষ্ট্ৰীয় সুৰক্ষাৰ শেহতীয়া পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহে ৰাষ্ট্ৰীয় প্ৰস্তুতি আৰু আন্তঃমন্ত্ৰালয় সহযোগিতাৰ পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই আজি বিভাগটোৰ শীৰ্ষ বিষয়াসকলৰ সৈতে স্বাস্থ্য আন্তঃগাঁথনি আৰু প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি সন্ধিয়া একেধৰণৰ আন এখন বৈঠকত অধ্যক্ষতা কৰি বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ চাইবাৰ সুৰক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰিব। ৰাজহুৱা খণ্ডৰ বেংকসমূহে প্ৰকাশ কৰা অনুসৰি এটিএম, নগদ ধন জমা কৰা আৰু ধন উলিওৱা মেচিন তথা সকলোধৰণৰ ডিজিটেল সেৱা সম্পূৰ্ণৰূপে কাৰ্যকৰী হৈ

আছে আৰু জনসাধাৰণৰ বাবে এই সেৱা উপলব্ধ হৈ আছে। বেংকসমূহে অপ্ৰমাণিত তথ্যৰ ওপৰত ভৰষা নকৰিবলৈ গ্ৰাহকসকলক আহ্বান জনাইছে। আনহাতে ইণ্ডিয়ান অইল কৰ্পৰেচনে সমগ্ৰ দেশতে পৰ্যাপ্ত পৰিমাণৰ ইন্ধন মজুত আছে বুলি আশ্বাস দিছে। সংস্থাটোৱে লগতে জনসাধাৰণক অপ্ৰয়োজনীয়ভাৱে ইন্ধন ক্ৰয় কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰালয়ে সকলো সংবাদ মাধ্যম, ডিজিটেল প্লেটফৰ্ম আৰু ব্যক্তি বিশেষক প্ৰতিৰক্ষা অভিযান আৰু নিৰাপত্তা বাহিনীৰ গতি-বিধিৰ প্ৰত্যক্ষ আৰু পোনপটীয়া প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ পূৰ্বৰ নিৰ্দেশনাৰ কথা উল্লেখ কৰি সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে এনেধৰণৰ স্পৰ্শকাতৰ আৰু নিৰ্দিষ্ট সূত্ৰ আধাৰিত তথ্যৰ উন্মোচনে প্ৰতিৰক্ষা অভিযানত ব্যাঘাত জন্মোৱাৰ উপৰি জনসাধাৰণৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিব পাৰে। মন্ত্ৰালয়ে কাৰ্গিল যুদ্ধ, ২৬/১১-ৰ সন্ত্ৰাসবাদী আক্ৰমণ আৰু কান্দাহাৰ বিমান হাইজেকৰ দৰে পূৰ্বৰ কিছু ঘটনাৰ বিষয়ে উল্লেখ কৰি আগতীয়া আৰু বিভ্ৰান্তিকৰ তথ্যই আনিব পৰা বিপদৰ বিষয়ে আঙুলিয়াই দিয়ে। মন্ত্ৰালয়ৰ নিৰ্দেশাৱলীত প্ৰকাশ কৰা মতে কেবল টেলিভিছন নেটৱৰ্ক সংশোধনী নিয়মৰ অধীনত কেৱল স্বীকৃতিপ্ৰাপ্ত চৰকাৰী কাৰ্যালয়কহে সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ সময়ত পৰ্যায়ক্ৰমে তথ্য প্ৰচাৰ কৰাৰ অনুমতি দিয়া হয়।

ooooo

ভাৰত আৰু পাকিস্তানৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰণৰ পৰিপ্ৰেক্ষিতত দেশত বৰ্ধিত উত্তেজনাৰ মাজতে জিলা প্ৰশাসনসমূহে জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ সকলোধৰণৰ সাংস্কৃতিক অনুষ্ঠান আৰু কাৰ্যসূচী কাইলৈৰ পৰা বাতিল কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাজ্যত পূৰ্বে নিৰ্ধাৰিত বিহুৰ সকলো অনুষ্ঠান ইমানতে সামৰণি পেলাই ঐক্য আৰু সংহতিৰ চানেকি দাঙি ধৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছিল।

ooooo

দেশৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৰা ঘোষণাক সন্মান জনাই লখিমপুৰ জিলাৰ ঢকুৱাখনাবাসী  আৰু ফাট বিহু কমিটিয়ে ফাট বিহুৰ কাৰ্যসূচী বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি পুৱাৰ ভাগত পতাকা উত্তোলন, স্মৃতি তৰ্পন, আৰু ফাট বিহুৰ প্ৰতিকী উন্মোচন আদি অনুষ্ঠিত হয় যদিও বাকী থকা অনুষ্ঠানসমূহ সন্ধিয়াৰ আগে আগে অনুষ্টুপিয়াকৈ আয়োজন কৰা হয়। ফাট বিহু উপলক্ষে কাইলৈ আৰু পৰহিলৈ নিৰ্ধাৰিত সকলো কাৰ্যসূচী বাতিল কৰা হৈছে বুলি ফাট বিহু সমিতি, ঢকুৱাখনা আৰু উদযাপন সমিতি ২০২৫ ৰ তৰফৰ পৰা জানিবলৈ দিছে।

ooooo

সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আকাশবাণীৰ বাতৰি সেৱা বিভাগে প্ৰতিঘণ্টাই প্ৰচাৰিত ইংৰাজী আৰু  হিন্দী বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰই ইয়াৰ মহাবাহু শাখাত এই বাতৰিসমূহ ৰীলে কৰাৰ বাবে আমাৰ কেন্দ্ৰৰ কেইবাখনো আঞ্চলিক বাতৰিৰ সময়সূচীৰ কেতবোৰ সাল সলনি ঘটোৱা হৈছে। সেই অনুসৰি পুৱা ৯ বজাত প্ৰচাৰিত হবলগীয়া  পুৱাৰ আঞ্চলিক বাতৰি কাইলৈৰ পৰা ৯  বাজি  ২০ মিনিটৰ পৰা প্ৰচাৰিত হব। আজিৰে পৰা নিশাৰ আঞ্চলিক বাতৰি ৯ বাজি ২৫ মিনিটৰ পৰিৱৰ্তে নিশা ১০ বজাত প্ৰচাৰিত হব। আকাশবাণী গুৱাহাটীৰ মুখ্য বাতৰিৰ সময়ৰো সাল সলনি ঘটোৱা হৈছে।

ooooo

সেনাবাহিনীয়ে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটিত চলোৱা **অপৰাচেন সিন্দূৰ** সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে প্ৰচাৰ কৰিবলগীয়া বিশেষ দৃষ্টিপাত অনুষ্ঠানৰ প্ৰথম অংশ কাইলৈ নিশা ৮ বাজি ২০ মিনিটৰ পৰা ৮ বাজি ৪৫ মিনিটলৈ প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত গ্ৰুপ কেপ্টেইন দেৱানন্দ গোহাঁই, অৱসৰপ্ৰাপ্ত উইং কমাণ্ডাৰ জগদীশ ভট্টাচাৰ্য আৰু জ্যেষ্ঠ নাগৰিক তথা আকাশবাণীৰ প্ৰাক্তন ঘোষক কীৰ্তিকমল ভূঞাই এই অভিযান আৰু যুদ্ধকালীন সময়ত জনসাধাৰণৰ কৰণীয় সম্পৰ্কত মন্তব্য আগবঢ়াব। অনুষ্ঠানৰটোৰ পৰৱৰ্তী অংশ পৰহিলৈ নিশা একে সময়তে শুনিবলৈ পাব। এই অনুষ্ঠানৰ উপস্থাপন, পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ। অনুষ্ঠান সূচীৰ জৰুৰী পৰিৱৰ্তনৰ বাবে অহা ১১ মে’ দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰিত হ’বলগীয়া সংবাদ চলন্তিকা প্ৰচাৰিত নহয়।

ooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, বি চি চি আইয়ে চলিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ বাকী থকা খেলসমূহ এসপ্তাহৰ বাবে তাৎক্ষণিকভাৱে বাতিল কৰাৰ কথা ঘোষণা কৰিছে। ভাৰত আৰু পাকিস্তানৰ মাজৰ সামৰিক গতিবিধি বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বিশেষকৈ কাশ্মীৰ খণ্ডত শেহতীয়াকৈ সীমান্ত এলেকাৰ উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ বাবে বি চি চি আইয়ে এই সিদ্ধান্ত লয়। বি চি চি আইয়ে আজি বিয়লি এটা বিবৃতি জাৰি কৰি কয়, যে পৰিস্থিতিৰ সামগ্ৰিক পৰ্যালোচনাৰ পাছত সংশ্লিষ্ট কৰ্তৃপক্ষ আৰু অংশীদাৰসকলৰ সৈতে পৰামৰ্শ কৰি খেলৰ পৰৱৰ্তী সময় আৰু স্থানৰ সবিশেষ তথ্য প্ৰকাশ কৰা হ’ব। আই পি এলৰ গভৰ্নিং কাউন্সিলে ইয়াৰ ফ্ৰেঞ্চাইজি প্ৰতিনিধিসকলকে ধৰি মুখ্য অংশীদাৰীসকলৰ সৈতে আলোচনাৰ পাছত এই সিদ্ধান্ত গ্ৰহণ কৰে।

ooooo

যোৰহাটৰ স্নাতকোত্তৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, কমলা বেজবৰুৱা সোঁৱৰণি শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ পদ্মনাথ কটকীৰ আজি পুৱা গুৱাহাটীৰ লখৰাৰ বাসভৱনত দেহাৱসান ঘটে। ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰো প্ৰাক্তন অধ্যাপক কটকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৯০ বছৰ।

ooooo

সমাপ্ত